# এখন শুদ্ধ নাগৰিকপঞ্জী প্ৰস্তুতকৰণৰ বাবে পৰিয়ালৰ বিস্তৃত বংশবৃক্ষ দাখিল কৰাৰ প্ৰয়োজনীয়তা

NRC
NATIONAL REGISTER OF CITIZENS

## কোনো অসাধু ব্যক্তিৰ দ্বাৰা আপোনাৰ বংশৰ লিগেচিৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ আপোনাৰ বংশবৃক্ষৰ বিস্তৃত বিৱৰণ দাখিল কৰক

## বংশবৃক্ষ ফৰ্ম দাখিল কৰাৰ অন্তিম তাৰিখ হ'ল ২২ মাৰ্চ, ২০১৬

- পৰীক্ষণকাৰী দলৰ দ্বাৰা পৰীক্ষণৰ বাবে বংশবৃক্ষৰ ফৰ্ম ইতিমধ্যেই ঘৰে ঘৰে গৈ সংগ্ৰহ কৰা হৈছে। যদি কোনো পৰিয়ালে এতিয়াও বংশবৃক্ষ ফৰ্ম পৰীক্ষণকাৰী দলক দাখিল কৰা নাই তেনেক্ষেত্ৰত তেওঁলোকক অতি শীঘ্ৰে তেওঁলোকৰ নিৰ্দ্ধাৰিত এনআৰচি সেৱাকেন্দ্ৰত উক্ত বংশবৃক্ষ ফৰ্ম জমা দিবলৈ অনুৰোধ কৰা হ'ল।
- আপুনি এনআৰচি আবেদনপত্ৰ দাখিল কৰা কেন্দ্ৰটোৱেই হ'ল আপোনাৰ নিৰ্দ্ধাৰিত এনআৰচি সেৱাকেন্দ্ৰ। যদি আপুনি অনলাইযোগে এনআৰচি আবেদনপত্ৰ দাখিল কৰিছে, তেন্তে আপুনি আমাৰ ৱেবচাইট (হোমপেজত থকা "Know your NSK"ত চাওঁক)ৰ পৰা আপোনাৰ নিৰ্দ্ধাৰিত এনআৰচি সেৱাকেন্দ্ৰটোৰ বিষয়ে জানিব পাৰিব।
- মনত ৰাখিব যে অনলাইনযোগে বংশবৃক্ষ ফৰ্ম দাখিল কৰাৰ কোনো সুবিধা নাই। বংশবৃক্ষৰ বিৱৰণ অকল ঘৰে ঘৰে যোৱা পৰীক্ষণকাৰী দল বা আপোনাৰ নিৰ্দ্ধাৰিত সেৱাকেন্দ্ৰতহে দাখিল কৰিব।
- বংশবৃক্ষ ফৰ্ম দাখিল কৰাৰ অন্তিম তাৰিখ ২২ মাৰ্চ, ২০১৬। ইয়াৰ পিছত কোনো ফৰ্ম জমা লোৱা নহ'ব।
- বংশবৃক্ষৰ খালী ফৰ্ম আপোনাৰ নিৰ্দ্ধাৰিত এনআৰচি সেৱাকেন্দ্ৰত পোৱা যাব বা আমাৰ ৱেবচাইটৰ পৰাও ডাউনলোড কৰিব পাৰিব।

***বংশবৃক্ষৰ ফৰ্ম পূৰণ কৰাৰ সময়ত নিম্নলিখিত কথাখিনি মন কৰিব ঃ***

১. কোনো পৰিয়ালে যদি ১৯৫১ চনৰ এন আৰ চি নাইবা ১৯৭১ চনৰ ২৪ মাৰ্চৰ পূৰ্বৰ যিকোনো ভোটাৰ তালিকাৰ বাদে "আলিকা A"ৰ অন্য নথি ব্যৱহাৰ কৰিছে, সেইক্ষেত্ৰত লিগেচি ডাটা কোডৰ বিপৰীতে থকা বাকচটো খালী ৰাখিব লাগিব।

২. যদি কোনো লিগেচি ব্যক্তিৰ এগৰাকীতকৈ অধিক স্বামী বা স্ত্ৰী থাকে বা আছিল, তেনেহ'লে তেওঁলোকৰ নাম 'কমা'ৰ দ্বাৰা পৃথকভাৱে লিখিব লাগিব।

৩. পৰিয়ালৰ সকলো মৃত সদস্যৰ নাম (যদি থাকে) পৰিয়ালৰ বংশবৃক্ষত উল্লেখ কৰিব লাগিব।

৪. লিগেচি ব্যক্তিজনৰ সকলো জ্ঞাত লিগেচি ডাটা কোড বংশবৃক্ষ ফৰ্মত উল্লেখ কৰিব লাগিব যাতে অন্য লিগেচি ডাটা কোডসমূহ কোনো অসাধু ব্যক্তিয়ে অপব্যৱহাৰ কৰিব নোৱাৰে।

৫. পৰিয়ালৰ বিবাহিতা জিয়ৰীৰ নামো ইয়াত উল্লেখ কৰিব লাগিব।

৬. বংশবৃক্ষৰ ফৰ্ম অসমীয়া / বাংলা / বড়ো / ইংৰাজীত পূৰণ কৰিব পাৰিব।

৭. পৰিয়ালৰ বংশবৃক্ষৰ বিৱৰণ এবাৰ দাখিল কৰাৰ পিছত তাক আৰু পৰিবৰ্তন বা উঠাই ল'ব নোৱাৰিব।

### বংশবৃক্ষ মানে কি ?

বংশবৃক্ষ হ'ল আপোনাৰ পৰিয়ালৰ বিভিন্ন প্ৰজন্মৰ বিৱৰণ য'ত অন্তৰ্ভূক্ত হ'ব আপোনাৰ পূৰ্বপুৰুষ, মা-দেউতা, খুড়া-খুড়ী, সন্তান আৰু তেওঁৰ সম্বন্ধীয়সকলৰ নাম।

---

*নিৰপেক্ষ পৰীক্ষণ প্ৰক্ৰিয়াৰ দ্বাৰা এখন শুদ্ধ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰকাশ কৰি উলিয়াবলৈ আমি দায়বদ্ধ।*
*সেয়েহে, বংশবৃক্ষৰ ফৰ্ম সকলো আবেদনকাৰীৰে প্ৰয়োজনীয়।*
*ইয়াৰ দ্বাৰা আমি দোহাৰিছোঁ যে, উন্নীতকৃত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত কোনো বিদেশীৰ নাম অন্তৰ্ভুক্ত নহ'ব আৰু কোনো প্ৰকৃত ভাৰতীয়ৰ নাম বাদ নপৰিব।*

| | | | |
|---|---|---|---|
| বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে | আমাৰ বিনামূলীয়া হেল্পলাইন নম্বৰ ১৫১০৭ (15107) | আমাৰ ৱেবচাইট www.nrcassam.nic.in | *ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন, অসমৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত।* |

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক

Exclusive/NRC/03-2016/29